# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 6-09-2026 **Time :** 0900 Hrs.

## ***Assamese Morning Bulletin***
## **HEADLINES**

১। রাজ্যজুৰি অসম আৰক্ষীয়ে চলোৱা অভিযানত ৩৩০ জন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ।

২। দুদিনীয়া ভ্ৰমণসূচীৰে উপ ৰাষ্ট্ৰপতিৰ আজি অসম আগমণ।

৩। ৰাজ্যত অহা বছৰৰ পৰা কৃতী শিক্ষক বাছনি প্ৰক্ৰিয়া সলনি হ'ব বুলি শিক্ষামন্ত্ৰীৰ ঘোষণা।

৪। সুৰাৰ অবৈধ ব্যৱসায় কঠোৰভাৱে নিয়ন্ত্ৰণ কৰাৰ বাবে আবকাৰী বিভাগৰ পদক্ষেপ।

***আৰু***

৫। মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ৭ উইকেটত জয়।

ooooooo

ৰাজ্যজুৰি অসম আৰক্ষীয়ে কালি পুৱাৰে পৰা চলোৱা অভিযানত মুঠ ৩৩০ জন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। কাজিৰঙাত অনুষ্ঠিত আৰক্ষী অধীক্ষকৰ সন্মিলনৰ পাছতে অসম আৰক্ষীয়ে প্ৰৱঞ্চকৰ বিৰুদ্ধে এই অভিযান চলায়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি ৰাজ্যৰ ২৯ খন জিলাত এই অভিযান চলোৱা হয়। এই অভিযানকালত আৰক্ষীৰ সৈতে যোগাযোগ কৰি গোচৰ মীমাংসা কৰা দালালকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নকল আৰু চুৰি সামগ্ৰী বিক্ৰী কৰা প্ৰৱঞ্চকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে আৰক্ষীৰ পৰিচয় দি সাধাৰণ লোকক প্ৰৱঞ্চনা কৰা লোকৰ বিৰুদ্ধেও আৰক্ষীয়ে অভিযান চলায়। আৰক্ষীয়ে অভিযান কালত লখিমপুৰত ১৫ জন, গুৱাহাটীত ২ জন, কামৰূপত ৩৩ জন, বঙাইগাঁৱত ১২ জন, মৰিগাঁও আৰু ধুবুৰীত ৭ জনকৈ, গোৱালপাৰাত ৫ জন, বজালী, তামাৰহাটত ৪ জনকৈ, শিৱসাগৰ আৰু গোলাঘাটত দুজন, তিনিচুকীয়াত ১৫ জন, কাচাৰত ৩৯ জন, দৰঙত ১৮ জন, কোকৰাঝাৰত ২০ জন, হোজাইত ১৬ জুন, নগাঁৱত ১১ জন, বৰপেটাত ২৬ জনকৈ লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিঙে প্ৰকাশ কৰা মতে একাংশই অসমৰ বাহিৰত থাকিও ৰাজ্যত প্ৰৱঞ্চনাৰ জাল মেলি আহিছে। আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে প্ৰৱঞ্চকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান অব্যাহত ৰখাৰ কথাও প্ৰকাশ কৰিছে।

ooooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি পুৱা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হ'ব। ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এলানি শৈক্ষিক, সাংস্কৃতিক আৰু ৰাজহুৱা অনুষ্ঠানত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকী গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে বিমান বন্দৰৰ পৰা পোনে পোনে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ ৰাওনা হ'ব।

বিয়লি শ্ৰী ৰাধাকৃষ্ণণে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকী কাইলৈ পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰোহিত তথা দৃষ্টিৰোহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞ্চি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০০০

অহা বছৰৰ পৰা কৃতি শিক্ষক বাচনি প্ৰক্ৰিয়া সলনি কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত আয়োজিত শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যিক পৰ্যায়ৰ শিক্ষক বাচনিৰ বাবে এতিয়াৰে পৰা জিলা আয়ুক্তৰ অনুমোদনৰ প্ৰয়োজন হ'ব। তেওঁ কয়, যে বঁটাৰ বাবে আবেদন কৰা শিক্ষকে পাঠদানৰ বাণীবদ্ধ ৰূপো দাখিল কৰিব লাগিব। অহা শিক্ষাবৰ্ষৰ পৰা এই প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

*(বাইট ঃ পেগু)*

অনুষ্ঠানত ভাষণ দি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে শিক্ষকসকল অকল ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ পথ প্ৰদৰ্শক নহয়, বৰং এখন সুস্থ, শিক্ষিত, শৃংখলাবদ্ধ আৰু মূল্যবোধ সম্পন্ন সমাজ গঢ়ি তোলাৰ অন্যতম চালিকা শক্তি। শিক্ষাৰ্থীসকলৰ জ্ঞান, চৰিত্ৰ, নেতৃত্ব গুণ, দায়িত্ববোধ আৰু সামাজিক দয়বদ্ধতা বিকশিত কৰাৰ শিক্ষকসকলৰ ভূমিকা অতুলনীয় বুলি তেওঁ উল্লেখ কৰে। একবিংশ শতিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি আধুনিক প্ৰযুক্তি আৰু নৱতম শিক্ষণ পদ্ধতি গ্ৰহণ কৰি শিক্ষাদানৰ মান অধিক উন্নত কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে শিক্ষকসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে শিক্ষা ব্যৱস্থা অধিক উদ্ভাৱনমুখী, দক্ষতাভিত্তিক আৰু শিক্ষাৰ্থীকেন্দ্ৰীক কৰি তোলাত শিক্ষক সমাজে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব।

০০০০০০০

ছশ বছৰীয়া আহোম ৰাজত্বৰ ইতিহাসৰ স্বাক্ষৰ বহন কৰা একালৰ ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ দিশত কেন্দ্ৰীয় চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে ৰংপুৰ-শিৱসাগৰক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা দিয়াৰ বাবে যোৱা ১৯ জুনত ভাৰত চৰকাৰৰ তৰফৰ পৰা ইউনেস্ক'ত আনুষ্ঠানিকভাৱে মনোনয়ন দাখিল কৰা হয়। ৰংঘৰ, কাৰেংঘৰ, দৌল, পুখুৰী আৰু আহোমসকলৰ অন্যান্য স্থাপত্য কাৰুকৌশলৰ অমূল্য নিদৰ্শনেৰে সমৃদ্ধ এই ভূমি কেৱল অসমৰে নহয়, বৰঞ্চ সমগ্ৰ ভাৰতবৰ্ষৰ গৌৰৱ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০২৪ চনত

চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভৰ পাছত ৰংপুৰ-শিৱসাগৰক লৈ গ্ৰহণ কৰা এই পদক্ষেপে আহোমৰ গৌৰৱগাঁথাক বিশ্বৰ সন্মুখত উজ্বলাই তুলিব। ডং শৰ্মাই অসমৰ ঐতিহ্যক বিশ্বৰ বুকুত সগৌৰৱে প্ৰতিষ্ঠা কৰাৰ এই ঐতিহাসিক প্ৰচেষ্টাৰ বাবে অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়।

0000000

ৰাজ্যত সুৰাৰ অবৈধ ব্যৱসায় কঠোৰভাৱে নিয়ন্ত্ৰণ কৰাৰ বাবে আবকাৰী বিভাগে পদক্ষেপ লোৱাৰ কথা ঘোষণা কৰিছে। অবৈধভাৱে সুৰা উৎপাদন আৰু সৰবৰাহে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰ লগতে ৰাজ্য চৰকাৰে যথেষ্ট ৰাজহ ঘাটিৰো সন্মুখীন হ'বলগীয়া হৈছে। সেয়ে চৰকাৰে ৰাজহ ঘাটি নোহোৱা কৰাৰ কাৰণে অবৈধ সুৰাৰ ক্ষেত্ৰত কঠোৰ নীতি-নিয়ম বলৱতৰ সিদ্ধান্ত লৈছে। গুৱাহাটীৰ কৰ ভৱনত কালি অনুষ্ঠিত এখন বৈঠকত আবকাৰী মন্ত্ৰী অতুল বৰাই এই সিদ্ধান্তৰ কথা প্ৰকাশ কৰিছে। অসমৰ বিভিন্ন জিলাৰ আবকাৰী অধীক্ষক, উপ অধীক্ষক, পৰিদৰ্শক, সহ পৰিদৰ্শকসকলৰ উপস্থিতত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰী শ্ৰীবৰাই সকলোকে আইনৰ কঠোৰ বলৱতকৰণত অগ্ৰাধিকাৰ দিবলৈ নিৰ্দেশ দিয়ে। আনহাতে কৰ ভৱনত অনুষ্ঠিত আই এম এল এফ, বিয়েৰ, দেশীয় সুৰা আৰু বটলিং প্লেণ্টৰ অনুজ্ঞাপত্ৰধাৰীসকলৰ সৈতে অনুষ্ঠিত আন এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে সুৰাৰ বিক্ৰী বিতৰণ ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। এই বৈঠকত আবকাৰী বিভাগৰ আয়ুক্ত সচিব বীৰেন্দ্ৰ মিট্টাল, আয়ুক্ত জিতু দলে, যুটীয়া সচিব ৰশ্মি বৰুৱা গগৈকে ধৰি বিভাগটোৰ ভালে কেইগৰাকী জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দিনজোৰা কাৰ্যসূচীৰে কালি কৰ ভৱনত আবকাৰী বিভাগৰ বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰে। বৈঠকৰ অন্তত আবকাৰী মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে, চৰকাৰে কেবল বিদেশী সুৰাই নহয় পৰম্পৰাগত সুৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰাৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি আবকাৰী বিভাগে হেৰিটেজ লিকাৰ বাব পৰম্পৰাগত পানীয়ক বিশেষ গুৰুত্ব দিয়াৰ বাবে বিশেষ পদক্ষেপ ল'ব।

***বাইট ঃ অতুল বৰা***

0000000

ভাৰতৰত্ন সন্মানেৰে সন্মানিত ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কালিৰে পৰা অহা ৮ ছেপ্তেম্বৰলৈ এলানি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কালি পাঞ্জাবাৰীৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত আজি সন্ধিয়া কলকাতাৰ অসম ভৱনত ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেদৰে কাইলৈ বৃহত্তৰ গুৱাহাটী সাংস্কৃতিক সংগঠনৰ সন্মিলিত মঞ্চৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি **মানুহে মানুহৰ বাবে** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৮ ছেপ্তেম্বৰত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কলাক্ষেত্ৰত মহামিলনৰ তীৰ্থ শীৰ্ষক বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। সেইদিনা পুৱা গুৱাহাটীৰ জালুকবাৰীৰ ডং ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰত সুধাকণ্ঠলৈ শ্ৰদ্ধাৰ্ঘ জনোৱাৰ লগতে ডং ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা স্থাপন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

সুধাকণ্ঠৰ জন্মশতবৰ্ষ উদযাপন উপলক্ষে গুৱাহাটীৰ জালুকবাৰীত অহা ৮ ছেপ্তেম্বৰত বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত প্ৰায় এশ গৰাকী শিল্পীয়ে একেলগে শিল্পীগৰাকীৰ কেইবাটাও চিৰসেউজ গীত পৰিবেশন কৰিব।

ইপিনে শিল্পীগৰাকীৰ বছৰজোৰা জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান অহা ৮ ছেপ্তেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা অসমীয়া সংস্কৃতিৰ মহীৰূহ ড° ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ অমৰ সৃষ্টি, মানৱতাবাদ আৰু সাংস্কৃতিক ঐক্যৰ বাৰ্তা দেশজুৰি প্ৰচাৰ কৰা হ'ব।

বিগত বৰ্ষৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত শুভাৰম্ভ কৰা এই বছৰজোৰা অনুষ্ঠানৰ অংশহিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত কৰি অহা হৈছে। আনহাতে সাংস্কৃতিক অনুষ্ঠান সুৰ তীৰ্থৰ উদ্যোগতো আজি গুৱাহাটীত কটন এলামনাই ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধা নিবেদন কৰা হ'ব। সুৰতীৰ্থৰ উদ্যোগত এই উপলক্ষে বিয়লি ড° ভূপেন হাজৰিকা সৃষ্টি আৰু নৱ প্ৰজন্মক এখন আলোচনা চক্ৰৰো আয়োজন কৰা হৈছে।

০০০০০০০

কৃষকৰ উপাৰ্জন পাঁচগুণ কৰিব পাৰিলেহে অসমখন আগুৱাই যাব বুলি কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰিকাই মন্তব্য কৰিছে। ভোকেল ফৰ লোকেল আঁচনিৰ অধীনত নতুন ষ্টাৰ্টআপক উৎসাহিত কৰাৰ লগতে গুণগত মান পৰ্যালোচনা কৰাৰ বাবে কালি ক্ষেত্ৰী বামফৰৰ অসম মাখনা উদ্যোগ পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে অসমখনক আমি কৃষিৰ ক্ষেত্ৰত অগ্ৰণী কৰিব লাগিব আৰু খেতিয়কসকলৰ উপাৰ্জন দুগুণ নহয়, পাঁচগুণ কৰিব লাগিব তেতিয়াহে অসম আগুৱাই যাব। ৰাজ্যত মাখনা খেতিৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি শ্ৰী হাজৰিকাই কয়, যে এই নতুন খেতিৰ জৰিয়তে খেতিয়কসকল দুগুণ লাভান্বিত হ'ব। তেওঁ কয়, যে কৃষকসকল নিজৰ ঘৰৰ চৌহদত থকা মাছ পোহা পুখুৰীত মাখনা খেতি কৰি কৃষকসকল স্বাৱলম্বি হ'ব পাৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে অসমত বিল, খাল, নদী বহুত আছে আৰু তেনে ঠাইত পদুম ফুল সহজে হয়। সেইবোৰ তুলি আনি মাখনা প্ৰস্তুত কৰিব পাৰি। এই খেতিক বানেও মাৰিব নোৱাৰে আৰু বেছি সাৰো নালাগে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

ভাৰতে যোৱানিশা ডুবাইত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ৫৬ ৰানত বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৮ অভাৰ আৰু ৪টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইয়াৰ পূৰ্বে পাকিস্তানে প্ৰথম বেট ধৰি ১৮ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৫ ৰান কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ শ্ৰীচৰণী আৰু প্ৰেমা ৰাওতে তিনিটাকৈ উইকেট লাভ কৰে। দিপ্তী শৰ্মাই দুটা উইকেট লাভ কৰে।

০০০০০০০

**বাল্য বিবাহবিৰোধী অভিযানলৈ ৰাষ্ট্ৰসংঘৰ বিৰল স্বীকৃতি , একেদিনাই ৰাজ্যত ধৃত ৩৩০ ঠগ-প্ৰৱঞ্চক, জলপ্ৰলয়ৰ আশংকাত পুনৰ কঁপিছে নেপাল , দুদিনীয়া কাৰ্যসূচী লৈ উপ ৰাষ্ট্ৰপতি**

গুৱাহাটীলৈ আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহত স্থান লাভ কৰিছে। ছশ বছৰীয়া আহোম ৰাজত্বৰ ইতিহাসৰ স্বাক্ষৰ বহন কৰা একালৰ ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ বাবে মনোনয়নৰ উদ্দ্যেশ্যে ভাৰত চৰকাৰৰ তৰফৰ পৰা ১৯ জুনত ইউনেস্ক ’ৰ ওচৰত আনুষ্ঠানিকভাবে মনোনয়ন দাখিল কৰাৰ বাতৰিটো **ডি আছাম ট্ৰিবিউন** কাকত খনে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটো আন আন কাকতসমূহেও গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। শিক্ষক দিৱসৰ দিনা কেন্দ্ৰায় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিক্ষাবিদ-সাহিত্যিক ড০ নগেন শইকীয়াক সাক্ষাৎ কৰি আশিস লোৱাৰ বাতৰি **দৈনিক অসম** কাকতখনে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। ৰাজ্যৰ কৃষকৰ আয় দুগুণৰ পৰা ৫ গুণলৈ বঢ়াব লাগিব- কৃষি মন্ত্ৰী পীযুষ হাজৰিকাই কালি কামৰূপ জিলাৰ তোপাতলীত অৱস্থিত মাখনা প্ৰক্ৰিয়াকৰণ গোট পৰিদৰ্শন কৰি এইদৰে মন্তব্য কৰাৰ বাতৰি এটা **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে। নেপালৰ জলপ্ৰলয়ৰ ১০ দিনৰ পাছত নেপালী সেনাই কালি ত্ৰিশূলী-3A জলবিদ্যুত প্ৰকল্পৰ বিধ্বস্ত সুৰংগৰ পৰা দুজন কৰ্মচাৰীক জীৱন্তে উদ্ধাৰ কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত কাকত**খনে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**